NEWZ NOW

সংখ্যা ১৪ | শনিবাৰ, ৭ নৱেম্বৰ ২০২৬ | অসমৰ ডিজিটেল বাতৰি কাকত

ৰাজনীতি

কিয় প্ৰধানমন্ত্ৰীৰ আসনত বহা নাছিল ছোনীয়া গান্ধী ? ২২ বছৰ পাছত ক'লে নিজ মুখে

২০০৪ চনত ইউপিএৰ জয়ৰ পিছত প্ৰধানমন্ত্ৰী হোৱাৰ সুযোগ থাকিলেও ছোনিয়া গান্ধীয়ে সেই পদ গ্ৰহণ কৰা নাছিল।



NewzNow ডেস্ক | ৭ নৱেম্বৰ ২০২৬, আবেলি ৫:৪২

নতুন দিল্লী, ৭ নৱেম্বৰঃ ২০০৪ চনৰ লোকসভা নিৰ্বাচনত কংগ্ৰেছ নেতৃত্বাধীন মিত্ৰজোঁটে জয়লাভ কৰাৰ পিছত প্ৰধানমন্ত্ৰী হোৱাৰ সুযোগ লাভ কৰিছিল ছোনিয়া গান্ধীয়ে। কিন্তু সকলোকে আচৰিত কৰি তেওঁ সেই পদ গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰিছিল। তেওঁৰ পৰিৱৰ্তে ড০ মনমোহন সিং দেশৰ প্ৰধানমন্ত্ৰী হৈছিল। প্ৰায় ২২ বছৰৰ পিছত এই সিদ্ধান্তৰ আঁৰৰ কাৰণ সন্দৰ্ভত মুখ খুলিছে ছোনিয়া গান্ধীয়ে।
ব্ৰিটিছ সংবাদপত্ৰ 'দ্য গার্ডিয়ান'ক দিয়া এক সাক্ষাৎকাৰত ছোনিয়া গান্ধীয়ে কয় যে তেওঁ আগৰে প...

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1084

অসম

'জুবিন গার্গৰ মৃত্যুৰ গোচৰত মই দুমুখীয়া শিল্পী নহয়', সংবাদমেলত স্পষ্টীকৰণ মানস ৰবিনৰ



গুৱাহাটী, ৭ নৱেম্বৰ: জুবিন গার্গৰ মৃত্যুৰ গোচৰক কেন্দ্ৰ কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শর্মাৰ সংবাদমেলৰ পিছত সৃষ্টি হোৱা বিতর্কৰ মাজতে নিজৰ স্থিতি স্পষ্ট কৰিছে শিল্পী মানস ৰবিনে।
পঢ়ক: https://newznow.in/news/1059

অসম

বিদ্যুতৰ মাচুল বৃদ্ধিৰ বিৰুদ্ধে ৰাজ্যজুৰি আছুৰ প্ৰতিবাদ, শিৰসাগৰত আৰক্ষী-আছু কর্মীৰ মাজত হতাহতি



গুৱাহাটী: বিদ্যুতৰ মাচুল বৃদ্ধিৰ সিদ্ধান্তৰ বিৰুদ্ধে ৰাজ্যজুৰি প্ৰতিবাদ সাব্যস্ত কৰিছে সদৌ অসম ছাত্ৰ সন্থাই (আছু)।
পঢ়ক: https://newznow.in/news/1047

অসম

উচ্ছেদিত পৰিয়ালৰ পুনৰ সংস্থাপনৰ দাবীত ধুবুৰীত কংগ্ৰেছৰ জিলা আয়ুক্তক স্মাৰক-পত্ৰ প্ৰদান



ধুবুৰী, ৭ নৱেম্বৰঃ ধুবুৰী জিলাৰ আলমগঞ্জ নৱম খণ্ডত প্ৰশাসনে চলোৱা উচ্ছেদ অভিযানৰ পাছত গৃহহীন হোৱা পৰিয়ালসমূহৰ পুনৰ সংস্থাপনৰ দাবীত সৰৱ হৈ পৰিছে বিৰোধী কংগ্ৰেছ।
পঢ়ক: https://newznow.in/news/1080

উত্তৰ-পূৰ্বাঞ্চল

ছিয়াং প্ৰকল্প বাতিলৰ দাবী; অৰুণাচলৰ প্ৰতিবাদকাৰীৰ পদযাত্ৰা ধেমাজি হৈ অসমত প্ৰৱেশ



ধেমাজি, ৭ নৱেম্বৰঃ অৰুণাচল প্ৰদেশত প্ৰস্তাৱিত ১১,২০০ মেগাৱাট শক্তিসম্পন্ন ছিয়াং আপাৰ বহুমুখী প্ৰকল্প (SUMP) বাতিলৰ দাবীত চলি থকা প্ৰতিবাদী পদযাত্ৰাই অসমত প্ৰৱেশ কৰিছে।
পঢ়ক: https://newznow.in/news/1019

ভিতৰৰ পাতত

অসম: জুবিন গার্গৰ ন্যায়ৰ দাবীত ২২ নৱেম...
দেশ: ছাত্ৰৰ প্ৰতিবাদ: কংগ্ৰেছ চৰকাৰক প্...
অসম: ৯ নৱেম্বৰত কামৰূপ মহানগৰত স্থানীয়...
অসম: টেঙাখাটত অইলৰ প্ৰতিষ্ঠানত বিস্ফোৰণ...

অসম

জুবিন গার্গৰ ন্যায়ৰ দাবীত ২২ নৱেম্বৰত খানাপাৰাত সমাৱেশৰ আহ্বান মানস ৰবিনৰ

শ্বাহ আলম | ৭ নৱেম্বৰ ২০২৬, আবেলি ৪:১১



জুবিন গার্গৰ মৃত্যুৰ এবছৰ পাছতো ন্যায়ৰ দিশত বিশেষ অগ্ৰগতি নোহোৱাক লৈ অসন্তুষ্টি প্ৰকাশ কৰি ২২ নৱেম্বৰত গুৱাহাটীৰ খানাপাৰা খেলপথাৰত এক ৰাজহুৱা সমাৱেশৰ আহ্বান জনাইছে শিল্পী মানস ৰবিনে।

এক সংবাদমেলত মানস ৰবিনে কয় যে জুবিন গার্গক অসমৰ কোনো মানুহে বেয়া নাপায়। তেওঁৰ মতে, জুবিন গার্গৰ বাবে ৰাইজে এক ডাঙৰ পদক্ষেপ গ্ৰহণ কৰাৰ প্ৰয়োজন আছিল যদিও এবছৰ পাৰ হৈ যোৱাৰ পাছতো চৰকাৰ, ৰাইজ অথবা শিল্পী সমাজে বিশেষ একো কৰিব পৰা নাই।

অসমৰ সকলো প্ৰান্তৰ ৰাইজৰ লগতে বিশেষকৈ যুৱ প্ৰজন্ম, কলেজ আৰু বিশ্ববিদ্যালয়ৰ শিক্ষাৰ্থীসকলক ২২ নৱেম্বৰত খানাপাৰাত উপস্থিত থাকিবলৈ আহ্বান জনায় মানস ৰবিনে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1063

দেশ

ছাত্ৰৰ প্ৰতিবাদ: কংগ্ৰেছ চৰকাৰক প্ৰকাশ ৰাজৰ সমালোচনা

NewzNow ডেস্ক | ৭ নৱেম্বৰ ২০২৬, আবেলি ৬:৫৭



ছাত্ৰসকলৰ প্ৰতিবাদক লৈ অভিনেতা প্ৰকাশ ৰাজে কেৰালাৰ কংগ্ৰেছ চৰকাৰ আৰু শিক্ষা মন্ত্ৰীক তীব্ৰ সমালোচনা কৰিছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1089

অসম

৯ নৱেম্বৰত কামৰূপ মহানগৰত স্থানীয় বন্ধ ঘোষণা

NewzNow ডেস্ক | ৭ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:০৯



গুৱাহাটী, ৭ নৱেম্বৰঃ দীপাৱলী উপলক্ষে ৯ নৱেম্বৰ, সোমবাৰে কামৰূপ মহানগৰ জিলাত স্থানীয় বন্ধ ঘোষণা কৰিছে অসম চৰকাৰে। এই দিনটোত জিলাখনৰ সকলো ৰাজ্য চৰকাৰৰ কার্যালয়, শিক্ষানুষ্ঠান আৰু বিত্তীয় প্ৰতিষ্ঠান বন্ধ থাকিব।

সাধাৰণ প্ৰশাসন বিভাগে অসমৰ ৰাজ্যপালৰ নির্দেশ অনুসৰি এই বন্ধ ঘোষণা কৰি জাননী জাৰি কৰিছে।

জাননী অনুসৰি, কামৰূপ মহানগৰ জিলাৰ অন্তর্গত সকলো ৰাজ্য চৰকাৰী কার্যালয় আৰু শিক্ষানুষ্ঠান এই বন্ধৰ আওতাত পৰিব।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1027

অসম

টেঙাখাটত অইলৰ প্ৰতিষ্ঠানত বিস্ফোৰণৰ ঘটনাত তৃতীয়জনৰ মৃত্যু

NewzNow ডেস্ক | ৭ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:৫৩



ডিব্ৰুগড়, ৭ নৱেম্বৰঃ ডিব্ৰুগড় জিলাৰ টেঙাখাটত Oil India Limited (OIL)-ৰ প্ৰতিষ্ঠানত সংঘটিত বিস্ফোৰণৰ পিছত হোৱা ভয়ংকৰ অগ্নিকাণ্ডৰ ঘটনাত মৃত্যুৰ সংখ্যা তিনিজনলৈ বৃদ্ধি পাইছে। শনিবাৰে গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত প্ৰাণ হেৰুৱায় আহত কর্মচাৰী ৰূপম গগৈয়ে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1017

অসম

খানাপাৰাত বস্তাৰ ভিতৰত জীনা বৈশ্যৰ মৃতদেহ উদ্ধাৰ

NewzNow ডেস্ক | ৭ নৱেম্বৰ ২০২৬, নিশা ৭:০২



গুৱাহাটী, ৭ নৱেম্বৰ: মহানগৰীৰ খানাপাৰাৰ গণেশ মন্দিৰৰ সমীপত শনিবাৰে বস্তাৰ ভিতৰত কইনাধৰাৰ বাসিন্দা জীনা বৈশ্য নামৰ এগৰাকী মহিলাৰ উৰলি যোৱা মৃতদেহ উদ্ধাৰ হয়। মহিলাগৰাকী প্ৰায় ১২ দিন ধৰি সন্ধানহীন হৈ আছিল।


স্থানীয় লোকে পুৱা প্ৰায় ১১.১৫ বজাত পৰিত্যক্ত অৱস্থাত থকা বস্তাটোৰ পৰা মানুহৰ ভৰি ওলাই থকা দেখি আৰক্ষীক খবৰ দিয়ে। পাছত দিছপুৰ আৰক্ষীৰ এটা দল ঘটনাস্থলীত উপস্থিত হৈ বস্তাটোৰ ভিতৰৰ পৰা মৃতদেহটো উদ্ধাৰ কৰে। পৰিয়ালৰ লোকে মৃতদেহটো জীনা বৈশ্যৰ বুলি চিনাক্ত কৰে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1093

আন্তঃৰাষ্ট্ৰীয়

কৰাচীৰ সমীপৰ চৰনা দ্বীপত লস্কৰৰ সামুদ্ৰিক প্ৰশিক্ষণৰ অভিযোগ, ভাৰতৰ নিৰাপত্তাক লৈ উদ্বেগ

NewzNow ডেস্ক | ৬ নৱেম্বৰ ২০২৬, নিশা ৯:২৩



কৰাচী: পাকিস্তানৰ কৰাচী উপকূলৰ পৰা প্ৰায় ৫০ কিলোমিটাৰ দূৰত অৱস্থিত চৰনা দ্বীপত লস্কৰ-ই-তৈবাই সন্ত্ৰাসবাদীক সামুদ্ৰিক অভিযানৰ প্ৰশিক্ষণ দিয়াৰ অভিযোগ উত্থাপন হৈছে। চোৰাংচোৱা সূত্ৰৰ তথ্যৰ উদ্ধৃতিৰে প্ৰকাশিত বাতৰি অনুসৰি, আৰব সাগৰৰ এই দ্বীপত প্ৰশিক্ষণৰ বাবে স্কুবা ডাইভিং আৰু পানীৰ তলত অভিযান চলোৱাৰ কৌশল শিকোৱা হৈছে।

প্ৰকাশিত তথ্য অনুসৰি, লস্কৰৰ সামুদ্ৰিক শাখা 'দাৱা মেৰিন উইং' বা 'সাদা-এ-হুৰিয়ত'-এ এই প্ৰশিক্ষণৰ দায়িত্ব লৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/998

অসম

টকাৰ বিনিময়ত এনআইঅ'এছৰ পৰীক্ষাত নকলৰ সুবিধা! তিনিচুকীয়াত বিদ্যালয়ৰ অধ্যক্ষসহ ৭জনক গ্ৰেপ্তাৰ

NewzNow ডেস্ক | ৭ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৫১



তিনিচুকীয়া: ৰাষ্ট্ৰীয় মুক্ত বিদ্যালয় শিক্ষা প্ৰতিষ্ঠানৰ (এনআইঅ'এছ) পৰীক্ষাত ধনৰ বিনিময়ত নকল আৰু অন্যান্য অসৎ উপায় অৱলম্বন কৰাত সহায় কৰাৰ অভিযোগত তিনিচুকীয়াত বিদ্যালয়ৰ অধ্যক্ষসহ ৭জন লোকক গ্ৰেপ্তাৰ কৰিছে আৰক্ষীয়ে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1055

দেশ

"মোৰ লিংগই শিৱলিংগ, মোৰেই পূজা কৰা" - বৃন্দাবনৰ কথক ইন্দ্ৰদেৱ মহাৰাজৰ বিৰুদ্ধে বিস্ফোৰক অভিযোগ

NewzNow ডেস্ক | ৭ নৱেম্বৰ ২০২৬, নিশা ৭:৩৪



বৃন্দাবনৰ কথক ড০ ইন্দ্ৰদেৱ মহাৰাজৰ বিৰুদ্ধে এগৰাকী মহিলাই ধৰ্ষণ আৰু যৌন নিৰ্যাতনৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। মহিলাগৰাকীৰ অভিযোগৰ ভিত্তিত ২০২৬ চনৰ ২৮ অক্টোবৰত মহাৰাষ্ট্ৰৰ মীৰা-ভাইন্দৰৰ কাশিমিৰা আৰক্ষী থানাত তেওঁৰ বিৰুদ্ধে শূন্য এজাহাৰ (Zero FIR) পঞ্জীয়ন কৰা হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1102

অসম

অৱশেষত বেদখলমুক্ত হোৱাৰ পথত ঐতিহাসিক যমুনা; উচ্ছেদ অভিযান আৰম্ভ শিৱসাগৰ প্ৰশাসনৰ

NewzNow ডেস্ক | ৭ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:২৯



শিৱসাগৰ: অৱশেষত বেদখলমুক্ত কৰাৰ লক্ষ্যৰে ঐতিহাসিক যমুনা খাৰৈত উচ্ছেদ অভিযান আৰম্ভ কৰিছে শিৱসাগৰ জিলা প্ৰশাসনে। আটাছুৰ ধাৰাবাহিক প্ৰতিবাদ আৰু দীৰ্ঘদিনীয়া দাবীৰ পিছতে আজিৰে পৰা প্ৰশাসনে এই অভিযান আৰম্ভ কৰে।

উল্লেখ্য যে, ঐতিহাসিক যমুনা খাৰৈৰ মুঠ ভূমিৰ পৰিমাণ আছিল ১২০ বিঘা ১ কঠা ৯ লোচা। ইয়াৰে প্ৰায় ৪০ বিঘা ভূমি বেদখল হৈ থকাৰ তথ্য পোহৰলৈ আহিছে।

যমুনা খাৰৈৰ ভূমি বেদখল কৰি নিৰ্মাণ কৰা ঘৰ, শৌচাগাৰ আৰু ব্যৱসায়িক প্ৰতিষ্ঠানসমূহ উচ্ছেদৰ লক্ষ্য লৈছে প্ৰশাসনে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1043

উত্তৰ-পূৰ্বাঞ্চল

১৯০১ চনৰ পিছত ২০২৫-য়েই মেঘালয়ৰ সৰ্বাধিক গৰমৰ বছৰ

NewzNow ডেস্ক | ৭ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:২৩



শ্বিলং, ৭ নৱেম্বৰঃ ২০২৫ চনত মেঘালয়ে ১৯০১ চনৰ পিছত সৰ্বাধিক উষ্ণ বছৰ অভিলেখ কৰিছে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ (IMD) এক প্ৰতিবেদনত এই তথ্য প্ৰকাশ পাইছে। প্ৰতিবেদন অনুসৰি, ২০২৫ চনত ৰাজ্যখনৰ বাৰ্ষিক গড় উষ্ণতা আছিল ২০.৭৭ ডিগ্ৰী চেলছিয়াছ, যিটো ১৯৯১-২০২০ বৰ্ষৰ দীৰ্ঘম্যাদী গড়তকৈ ০.৯৬ ডিগ্ৰী অধিক।

ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ পুনেস্থিত জলবায়ু গৱেষণা আৰু সেৱা কাৰ্যালয়ে মেঘালয় চৰকাৰৰ সহযোগত প্ৰস্তুত কৰা 'মেঘালয়ৰ জলবায়ু সম্পৰ্কীয় প্ৰতিবেদন, ২০২৫'ত এই তথ্য প্ৰকাশ কৰা হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1039

অসম

বঙাইগাঁৱত ৪ সন্দেহজনক বাংলাদেশী নাগৰিকক আটক

NewzNow ডেস্ক | ৭ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:০২



বঙাইগাঁও: বঙাইগাঁও ৰে'ল ষ্টেচনৰ সমীপত আৰক্ষীৰ অভিযানত চাৰিজন লোকক আটক কৰা হৈছে। লোককেইজন বাংলাদেশৰ নাগৰিক বুলি সন্দেহ কৰা হৈছে।

বঙাইগাঁও আৰক্ষী আৰু ৰে'ল আৰক্ষীয়ে যুটীয়াভাৱে অভিযান চলাই লোককেইজনক আটক কৰে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1023

অসম

ভেৰগাঁৱত চোৰৰ উপদ্ৰৱ! বিদ্যালয়ৰ গেট আৰু কোঠাৰ তলা ভাঙি লক্ষাধিক টকাৰ সামগ্ৰী লুট

Pinku Kalita | ৭ নৱেম্বৰ ২০২৬, আবেলি ৪:৩৫



ওদালগুৰি জিলাৰ ভেৰগাঁও মহকুমাৰ ভাৰত-ভূটান সীমান্তৱৰ্তী অঞ্চলত চোৰৰ উপদ্ৰৱে আতংকৰ সৃষ্টি কৰিছে। ডিমাকুছি, আটাৰীখাট, বামুনজুলি আৰু বৰঙ্গাজুলিকে ধৰি বিভিন্ন অঞ্চলত ধাৰাবাহিক চুৰিৰ ঘটনাই সাধাৰণ লোকৰ নিদ্ৰা হৰিছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1071

অসম

মহানগৰীৰ চিটি ধাবাত ভয়ংকৰ অগ্নিকাণ্ড, জুইত জাহ গ'ল কাষৰীয়া পাঁচখন দোকান

NewzNow ডেস্ক | ৭ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:১৫



গুৱাহাটী, ৭ নৱেম্বৰঃ মহানগৰীৰ ভঙাগড় অঞ্চলত শনিবাৰে পুৱতি নিশা চিটি ধাবাৰ এটা বিপণীত ভয়ংকৰ অগ্নিকাণ্ড সংঘটিত হয়। প্ৰাৰম্ভিক তথ্য অনুসৰি, গেছ চিলিণ্ডাৰ বিস্ফোৰণৰ ফলতে অগ্নিকাণ্ডৰ সূত্ৰপাত হোৱা বুলি সন্দেহ কৰা হৈছে। জুই দ্ৰুতগতিত বিয়পি কাষৰীয়া কমেও পাঁচখন দোকান জাহ যায়।

অগ্নিকাণ্ডৰ খবৰ পোৱাৰ পিছতে কেইবাখনো অগ্নিনিৰ্বাপক বাহনৰ গাড়ী ঘটনাস্থলীত উপস্থিত হৈ জুই নিৰ্বাপণৰ চেষ্টা চলায়। বাতৰি প্ৰকাশৰ সময়লৈকে জুই নিৰ্বাপণৰ কাম অব্যাহত আছিল।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1035

অসম

ৰাক উপত্যকাত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠ স্থাপনৰ দাবী, ৰাজ্যপাললৈ স্মাৰক-পত্ৰ প্ৰেৰণ

NewzNow ডেস্ক | ৭ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:১২



শিলচৰ, ৭ নৱেম্বৰঃ ৰাক উপত্যকাত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ এখন খণ্ড বিচাৰপীঠ স্থাপনৰ দাবী পুনৰ উত্থাপন কৰি শনিবাৰে শিলচৰত প্ৰতিবাদ সাব্যস্ত কৰে অধিবক্তা, ছাত্ৰ-ছাত্ৰী আৰু বিভিন্ন সংগঠনৰ প্ৰতিনিধিয়ে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1031

অসম

গুৱাহাটী প্ৰেছ ক্লাৱত আন্তঃসংবাদ মাধ্যম কবিতা আবৃত্তি প্ৰতিযোগিতা সম্পন্ন

SHAH ALAM | ৭ নৱেম্বৰ ২০২৬, নিশা ৭:০৮



গুৱাহাটী, ৭ নৱেম্বৰঃ গুৱাহাটী প্ৰেছ ক্লাব আৰু ইনলি ফাউণ্ডেচনৰ উদ্যোগত শনিবাৰে গুৱাহাটী প্ৰেছ ক্লাবৰ আমবাৰীস্থিত চৌহদত প্ৰয়াত লীলাৱতী দাস সোঁৱৰণী আন্তঃসংবাদ মাধ্যম একক আৰু দ্বৈত কবিতা আবৃত্তি প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতাখনত দুই কুৰিৰো অধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে।

বাতৰিৰ ব্যস্ততাপূৰ্ণ কৰ্মজীৱনৰ মাজতো সাংবাদিকসকলৰ সাহিত্য-সংস্কৃতিৰ চৰ্চা আৰু সৃষ্টিশীল প্ৰতিভাৰ বিকাশৰ লক্ষ্যৰে এই প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। প্ৰায় প্ৰতিটো সংবাদ প্ৰতিষ্ঠানৰ প্ৰতিনিধিয়ে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1097

অসম

চাহ শ্ৰমিকৰ প্ৰতিশ্ৰুতি পূৰণ নকৰাৰ অভিযোগত কলিয়াবৰত আটছাৰ প্ৰতিবাদ

NewzNow ডেস্ক | ৭ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৪৯



কলিয়াবৰ: চাহ শ্ৰমিকসকলক দিয়া প্ৰতিশ্ৰুতি পূৰণ নকৰাৰ অভিযোগ উত্থাপন কৰি কলিয়াবৰৰ দুখন চাহ বাগিচাত প্ৰতিবাদ সাব্যস্ত কৰিছে অসম চাহ জনজাতি ছাত্ৰ সস্থাই (আটছা)। ৭ নৱেম্বৰত চিলঘাটস্থিত কলিয়াবৰ চাহ বাগিচা আৰু কুঠৰিস্থিত জগদম্বা চাহ বাগিচাত সংগঠনটোৱে এই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1051

ক্ৰীড়া

চৈয়দ মুস্তাক আলী ট্ৰফীৰ বাবে অসম দল ঘোষণা, অধিনায়ক ডেনিছ দাস

NewzNow ডেস্ক | ৭ নৱেম্বৰ ২০২৬, আবেলি ৫:৪৬



গুৱাহাটী, ৭ নৱেম্বৰঃ আগন্তুক চৈয়দ মুস্তাক আলী ট্ৰফী টি-২০ প্ৰতিযোগিতাৰ বাবে ১৬জনীয়া অসম দল ঘোষণা কৰিছে অসম ক্ৰিকেট সস্থাই। প্ৰতিযোগিতাখন ১৪ নৱেম্বৰৰ পৰা চণ্ডীগড়ত অনুষ্ঠিত হ'ব।

ঘোষিত দলটোত ডেনিছ দাসক অধিনায়ক আৰু চাহিল জৈনক উপ-অধিনায়কৰ দায়িত্ব দিয়া হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1088

ক্ৰীড়া

দ্বিতীয় এদিনীয়াত ভাৰতৰ ৪ ৰানৰ জয়

NewzNow ডেস্ক | ৭ নৱেম্বৰ ২০২৬, আবেলি ৪:২৬



ৱেলিংটন: বৰ্ষা বিঘ্নিত দ্বিতীয় এদিনীয়াত নিউজিলেণ্ডক ডিএলএছ পদ্ধতিত ৪ ৰানত পৰাস্ত কৰিছে ভাৰতে। পাঁচখন মেচৰ শৃংখলাত এই জয়ৰে ভাৰতে ২-০ৰ অগ্ৰগতি লাভ কৰে। ১৩৫ ৰানৰ লক্ষ্য আগত লৈ বেটিং কৰিবলৈ নামি বৰষুণ আৰম্ভ হোৱাৰ সময়ত ভাৰতে ৭ উইকেটত ১১৩ ৰান সংগ্ৰহ কৰিছিল।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1067

দেশ

'মোৰ বুকুৰ ওপৰেৰে বুলড'জাৰ চলাই দেখুৱাওক', বিজেপিক প্ৰত্যাহ্বান মমতা বেনাৰ্জীৰ

NewzNow ডেস্ক | ৭ নৱেম্বৰ ২০২৬, আবেলি ৪:৫৪



কলকাতা, ৭ নৱেম্বৰঃ তৃণমূল কংগ্ৰেছৰ সাংসদ অভিষেক বেনাৰ্জীৰ বাসগৃহত আক্ৰমণৰ অভিযোগক কেন্দ্ৰ কৰি পশ্চিমবংগৰ ৰাজনীতিত নতুনকৈ উত্তেজনাৰ সৃষ্টি হৈছে। এই ঘটনাক লৈ বিজেপিক তীব্ৰ প্ৰত্যাহ্বান জনাইছে ৰাজ্যখনৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা তৃণমূল কংগ্ৰেছৰ নেত্ৰী মমতা বেনাৰ্জীয়ে। একে সময়তে কলকাতাৰ কালিঘাটত কালীপূজাৰ আয়োজনত বাধা দিয়াৰো অভিযোগ উত্থাপন কৰিছে তেওঁ।

অভিষেক বেনাৰ্জীৰ বাসগৃহ পৰিদৰ্শন কৰাৰ পাছত সংবাদ মাধ্যমৰ আগত মমতা বেনাৰ্জীয়ে কয়, "আপোনালোকৰ কিমানখন বুলড'জাৰ আছে? আহক, মই আপোনালোকৰ সন্মুখতে থিয় হৈ আছোঁ। মোৰ শৰীৰৰ ওপৰেৰে, বুকুৰ ওপৰেৰে বুলড'জাৰ চলাই দেখুৱাওক।" বিজেপিক উদ্দেশ্যি তেওঁ এই মন্তব্য কৰে।

অভিষেক বেনাৰ্জীয়ে অভিযোগ কৰা মতে, শনিবাৰে পুৱতি নিশা প্ৰায় ২ বজাত কালিঘাট ৰোডত থকা তেওঁৰ বাসগৃহত বিজেপি সমৰ্থিত দুষ্কৃতিকাৰীয়ে আক্ৰমণ চলায়। এই ঘটনাক জীৱনৰ প্ৰতি ভাবুকি বুলি অভিহিত কৰি অভিষেকে দাবী কৰে যে বিগত ছমাহত তেওঁৰ ওপৰত এয়া সপ্তমটো আক্ৰমণৰ চেষ্টা। ইফালে, কালিঘাটত দীৰ্ঘদিন ধৰি অনুষ্ঠিত হৈ অহা কেইবাখনো কালীপূজাৰ অনুমতি বাতিল কৰা হৈছে বুলি অভিযোগ কৰে মমতা বেনাৰ্জীয়ে। বিপৰীতে, নতুনকৈ আয়োজন কৰা এখন পূজাক মূল পথত অনুষ্ঠিত কৰাৰ অনুমতি দিয়া হৈছে বুলিও তেওঁ দাবী কৰে। স্থানীয় ক্লাবসমূহকো নিজৰ কাৰ্যকলাপ চলোৱাত বাধা দিয়াৰ অভিযোগ উত্থাপন কৰি কালীপূজা আৰু দীপাৱলীৰ পূৰ্বে উৎসৱ উদযাপনত এনে বাধাৰ কাৰণক লৈ প্ৰশ্ন তোলে মমতাই।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1072

দেশ

ফেচবুক লাইভৰ পিছতে আদিবাসী নেত্রী নিশা ভগতৰ আত্মহত্যা, চৰকাৰ-প্রশাসনৰ বিৰুদ্ধে তুলিছিল অভিযোগ

NewzNow ডেস্ক | ৬ নৱেম্বৰ ২০২৬, নিশা ৮:৪৬



ঝাৰখণ্ডৰ আদিবাসী নেত্রী নিশা ভগতে আত্মহত্যা কৰাৰ ঘটনা পোহৰলৈ আহিছে। মৃত্যুৰ পূৰ্বে তেওঁ ফেচবুকত লাইভ কৰি ৰাজ্য চৰকাৰ, প্রশাসন আৰু মাটিৰ সৈতে জড়িত একাংশ লোকৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰিছিল।

'মোৰ মৃত্যুৰ বাবে ব্যৱস্থা আৰু ভূ-মাফিয়া দায়ী' বুলি তেওঁ লাইভত মন্তব্য কৰা বুলি *আজ তক*ৰ বাতৰিত প্রকাশ পাইছে। নেত্রীগৰাকীয়ে দাবী কৰিছিল যে তেওঁ আদিবাসী সমাজৰ অধিকাৰৰ বাবে নিৰন্তৰ মাত মাতি আহিছিল, কিন্তু প্রয়োজনৰ সময়ত কোনো পক্ষৰ পৰা সহায় লাভ কৰা নাছিল।

লাইভত নিশা ভগতে হেমন্ত চৰকাৰৰ সমালোচনা কৰি কয় যে চৰকাৰৰ ভুল-ত্রুটি উন্মোচন কৰাটো যদি অপৰাধ, তেন্তে তাৰ মূল্য তেওঁ ভুগিবলগীয়া হৈছে। তেওঁ অভিযোগ কৰে যে মাটিৰ সৈতে জড়িত একাংশ লোকে তেওঁক হাৰাশাস্তি কৰিছিল আৰু প্রশাসনৰ পৰাও প্রয়োজনীয় সহায় পোৱা নাছিল।

তেওঁৰ অভিযোগ অনুসৰি, নিজৰ নিৰাপত্তা আৰু সমস্যাৰ বিষয়ে তেওঁ কেইবাবাৰো প্রশাসনক অৱগত কৰিবলৈ চেষ্টা কৰিছিল। অজয় তিৰ্কিৰ নাম উল্লেখ কৰিও তেওঁ প্রশাসনৰ ভূমিকাক লৈ প্রশ্ন তোলে।

ফেচবুক লাইভৰ সময়তে তেওঁ পিঠোৰিয়া থানাৰ ভাৰপ্রাপ্ত বিষয়াৰ সৈতে ফোনযোগে কথা পাতে। আৰক্ষীৰ কাম-কাজক লৈ অসন্তুষ্টি প্রকাশ কৰি তেওঁ অভিযোগ কৰে যে তেওঁৰ ঘৰত হোৱা চুৰিৰ ঘটনাৰ অভিযুক্তকো আৰক্ষীয়ে কৰায়ত্ত কৰিব পৰা নাছিল। তেওঁক বদনাম কৰা লোকসকলৰ বিৰুদ্ধেও ব্যৱস্থা গ্রহণ কৰা হোৱা নাছিল বুলি অভিযোগ কৰে।

লাইভত তেওঁ পিতৃ-মাতৃৰ কথাও উল্লেখ কৰে। আদিবাসী সমাজৰ অধিকাৰৰ বাবে জীৱনজুৰি সংগ্রাম কৰা বুলি উল্লেখ কৰি তেওঁ ৰাজনৈতিক দলসমূহৰ পৰাও প্রয়োজনীয় সমর্থ...

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/986

এই সংখ্যাত

১ কিয় প্রধানমন্ত্রীৰ আসনত বহা নাছিল ছোনীয়া গান্ধী ? ২২ বছৰ পাছত ক'লে নিজ মুখে

১ 'জুবিন গার্গৰ মৃত্যুৰ গোচৰত মই দুমুখীয়া শিল্পী নহয়', সংবাদমেলত স্পষ্টীকৰণ মানস ৰবিনৰ

১ বিদ্যুতৰ মাচুল বৃদ্ধিৰ বিৰুদ্ধে ৰাজ্যজুৰি আছুৰ প্রতিবাদ, শিৱসাগৰত আৰক্ষী-আছু কর্মীৰ মাজত হতাহতি

১ উচ্ছেদিত পৰিয়ালৰ পুনৰ সংস্থাপনৰ দাবীত ধুবুৰীত কংগ্রেছৰ জিলা আয়ুক্তক স্মাৰক-পত্র প্রদান

১ ছিয়াং প্রকল্প বাতিলৰ দাবী; অৰুণাচলৰ প্রতিবাদকাৰীৰ পদযাত্রা ধেমাজি হৈ অসমত প্রৱেশ

২ জুবিন গার্গৰ ন্যায়ৰ দাবীত ২২ নৱেম্বৰত খানাপাৰাত সমাৱেশৰ আহ্বান মানস ৰবিনৰ

২ ছাত্রৰ প্রতিবাদ: কংগ্রেছ চৰকাৰক প্রকাশ ৰাজৰ সমালোচনা

২ ৯ নৱেম্বৰত কামৰূপ মহানগৰত স্থানীয় বন্ধ ঘোষণা

২ টেঙাখাটত অইলৰ প্রতিষ্ঠানত বিস্ফোৰণৰ ঘটনাত তৃতীয়জনৰ মৃত্যু

৩ খানাপাৰাত বস্তাৰ ভিতৰত জীনা বৈশ্যৰ মৃতদেহ উদ্ধাৰ

৩ টকাৰ বিনিময়ত এনআইএ'এছৰ পৰীক্ষাত নকলৰ সুবিধা! তিনিচুকীয়াত বিদ্যালয়ৰ অধ্যক্ষসহ ৭জনক গ্রেপ্তাৰ

৩ কৰাচীৰ সমীপৰ চৰনা দ্বীপত লস্কৰৰ সামুদ্রিক প্রশিক্ষণৰ অভিযোগ, ভাৰতৰ নিৰাপত্তাক লৈ উদ্বেগ

৩ "মোৰ লিংগই শিৱলিংগ, মোৰেই পূজা কৰা" - বৃন্দাবনৰ কথক ইন্দ্রদেৱ মহাৰাজৰ বিৰুদ্ধে বিস্ফোৰক অভিযোগ

৪ অৱশেষত বেদখলমুক্ত হোৱাৰ পথত ঐতিহাসিক যমুনা; উচ্ছেদ অভিযান আৰম্ভ শিৱসাগৰ প্রশাসনৰ

৪ বঙাইগাঁৱত ৪ সন্দেহজনক বাংলাদেশী নাগৰিকক আটক

৪ ১৯০১ চনৰ পিছত ২০২৫-য়েই মেঘালয়ৰ সর্বাধিক গৰমৰ বছৰ

৪ ভেৰগাঁৱত চোৰৰ উপদ্রৱ! বিদ্যালয়ৰ গেট আৰু কোঠাৰ তলা ভাঙি লক্ষাধিক টকাৰ সামগ্রী লুট

৫ মহানগৰীৰ চিটি ধাবাত ভয়ংকৰ অগ্নিকাণ্ড, জুইত জাহ গ'ল কাষৰীয়া পাঁচখন দোকান

৫ বৰাক উপত্যকাত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠ স্থাপনৰ দাবী, ৰাজ্যপাললৈ স্মাৰক-পত্র প্রেৰণ

৫ গুৱাহাটী প্রেছ ক্লাবত আন্তঃসংবাদ মাধ্যম কবিতা আবৃত্তি প্রতিযোগিতা সম্পন্ন

৫ চাহ্ শ্রমিকৰ প্রতিশ্রুতি পূৰণ নকৰাৰ অভিযোগত কলিয়াবৰত আটছাৰ প্রতিবাদ

৬ চৈয়দ মুস্তাক আলী ট্রফীৰ বাবে অসম দল ঘোষণা, অধিনায়ক ডেনিছ্ দাস

৬ দ্বিতীয় এদিনীয়াত ভাৰতৰ ৪ ৰানৰ জয়

৬ 'মোৰ বুকুৰ ওপৰেৰে বুলড'জাৰ চলাই দেখুৱাওক', বিজেপিক প্রত্যাহ্বান মমতা বেনার্জীৰ

৭ ফেচবুক লাইভৰ পিছতে আদিবাসী নেত্রী নিশা ভগতৰ আত্মহত্যা, চৰকাৰ-প্রশাসনৰ বিৰুদ্ধে তুলিছিল অভিযোগ

NewzNow ই-কাকত: প্রতিদিনে সন্ধিয়া newznow.in/epaper-ত। প্রতিটো খবৰৰ সম্পূৰ্ণ বিৱৰণ, ভিডিঅ' আৰু আপডেট newznow.in-ত পঢ়ক।
খবৰ শুনক: newznow.in/listen